

সপ্তম শ্রেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

(দ্বিতীয় ভাগ)

ভূগোল

পাঠ - ৭

অসমৰ সম্পদ

অংশ – ৫

জ্যোতি দাস

শিকনৰ ফলাফল

- অসমৰ কৃষিজ সম্পদৰ বিষয়ে জানিম।



Under CSR Support by
ipca | Foundation

কৃষিজ সম্পদ (Agricultural Resources)



ধান (Rice) —

- ধান অসমৰ প্ৰধান কৃষিজাত দ্ৰব্য।
- ৰাজ্যখনৰ মুঠ কৃষিভূমিৰ ৬৪.৫২ শতাংশ মাটিত ধান খেতি কৰা হয়।
- অসমত বিভিন্ন জাতৰ শালি ধান উৎপাদনৰ উপৰি আছু, বাও আৰু বৰো ধানো উৎপাদন হয়।

- বানপানী হোৱা অঞ্চলত শীতকালত বৰো খেতিৰ জৰিয়তে অসমত প্ৰচুৰ ধান উৎপাদন কৰা হয়।
- অসমৰ মুখ্য ধান উৎপাদন অঞ্চল দুটি হ'ল- ব্ৰহ্মপুত্ৰ আৰু বৰাক নৈৰ উপত্যকা অঞ্চল।
- ইয়াৰ উপৰি পাহাৰীয়া জিলা দুখনৰ ঠায়ে ঠায়ে ঝুম আৰু বেদিকা কৃষি প্ৰণালীৰে কিছু পৰিমাণে ধান উৎপাদন কৰা হয়।



মৰাপাট (Jute) —

- মৰাপাট অসমৰ এবিধ উল্লেখযোগ্য উপার্জক কৃষিজাত দ্রব্য।
- নামনি অসমৰ জিলাকেইখনৰ দ' পলসুৱা অঞ্চলত মৰাপাট যথেষ্ট পৰিমাণে হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

কুঁহিয়াৰ (Sugarcane) —

- ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰায়কেইখন জিলাতে কুঁহিয়াৰ উৎপাদন কৰা হয়।
- তুলনামূলকভাৱে নগাঁও, গোলাঘাট, যোৰহাট, কাৰ্বি আংলং আৰু কৰিমগঞ্জ জিলাত কুঁহিয়াৰ অধিক পৰিমাণে হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ঘেঁহু (Wheat) —

- নামনি অসমৰ জিলাকেইখন, যেনে ধুবুৰী, গোৱালপাৰা, কোকৰাঝাৰ, বঙাইগাঁও, বৰপেটা, নলবাৰী, কামৰূপ আদিত কিছু পৰিমাণে ঘেঁহু উৎপাদন হয়।
- মধ্য আৰু নামনি অসমৰ জিলাকেইখনত বিশেষকৈ গোৱালপাৰা, বৰপেটা, কামৰূপ, দৰং, নগাঁও আৰু মৰিগাঁও জিলাত মাহ জাতীয় বিভিন্ন শস্য উৎপাদন হয়।

- অসমৰ প্ৰায় সকলো জিলাতে কম-বেছি পৰিমাণে সৰিয়হ, তিল, মাকৈ, আদা, হালধি আদি উৎপাদন হয়।
- অসমৰ প্ৰায়বোৰ জিলাতে বিভিন্ন প্ৰকাৰৰ শাক-পাচলি উৎপাদন হয়।
- ব্ৰহ্মপুত্ৰৰ দুয়ো পাৰে থকা ওখ বালিচহীয়া মাটি শাক-পাচলিৰ খেতিৰ বাবে অধিক উপযোগী।

- কার্বি আংলং আৰু ডিমা হাচাও জিলাৰ পাহাৰীয়া ঢালত যথেষ্ট পৰিমাণে শাক-পাচলি উৎপাদন হয়।
- তামোল-পাণ, নাৰিকল, কল, কমলা, নেমু আদি কৃষিজ দ্রব্য অসমৰ প্রায়বোৰ ঠাইতে কম-বেছি পৰিমাণে হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



চাহ (Tea) —

- চাহ এবিধ ৰোপণ কৃষি। অসম চাহ খেতিৰ বাবে বিখ্যাত।
- অসমৰ চাহ ইয়াৰ সুকীয়া গুণৰ বাবে বিদেশত জনপ্রিয়।
- অসমত প্রায় ৮৫০ খন ডাঙৰ চাহ বাগিচা আছে। তাৰোপৰি বর্তমান বহুতো থলুৱা লোকে ক্ষুদ্র ক্ষুদ্র চাহ বাগিচা গঢ়ি তুলিছে।

- উজনি অসমৰ জিলাসমূহৰ উপৰি মধ্য আৰু নামনি অসমৰ এঢলীয়া ওখ ভূমিত চাহ বাগিচাসমূহ অৱস্থিত।
- শেহতীয়াভাৱে কার্বি আংলং জিলাত ৰবৰ আৰু কফি খেতিৰ পাম গঢ়ি উঠিছে।
- কৃষিকার্যত প্রযুক্তিৰ ব্যৱহাৰে অসমত কৃষি উৎপাদন কিছু পৰিমাণে বঢ়াইছে।

- তথাপি ভূমিৰ ভগ্ন আকাৰ, বৰষুণৰ পানীৰ ওপৰত নির্ভৰশীলতা, পৰম্পৰাগত কৃষি প্ৰণালী বানপানীৰ প্ৰভাৱ আদিৰ বাবে বৰ্তমানেও ৰাজ্যখনৰ কৃষি কাৰ্যই বাণিজ্যিক ৰূপ পোৱা নাই।
- কিন্তু অসমৰ আধাতকৈও বেছিসংখ্যক লোক কৃষি কাৰ্যৰ লগত জড়িত।

- এনে বৃহৎসংখ্যক লোক জড়িত থকা ক্ষেত্রখনৰ বিশেষ উন্নয়ন নোহোৱাৰ ফলত সামগ্রিকভাৱে ৰাজ্যখনৰ অর্থনীতি দুর্বল হৈ আছে।
- কৃষিৰ উপৰি কিছুসংখ্যক লোক ব্যৱসায় আৰু সেৱামূলক বৃত্তিত নিয়োজিত হৈ আছে।

মূল্যায়ন

Under CSR Support by
ipca | Foundation




1 | চাহ এবিধ ৰোপণ খেতি।

ক শুদ্ধ

খ অশুদ্ধ

মূল্যায়ন





2 মৰাপাট খতি কত কৰা হয় -

ক দ' ভূমি

খ উচ্চ ভূমি

মূল্যায়ন





3 চাহ খেতি ...এ'লীয়া... ভূমিত কৰা হয়।